**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-02-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। লোকসভা সচিবালয়ে অধ্যক্ষ ওম বিৰলাক পদৰ পৰা আঁতৰোৱাৰ দাবী জনাই বিৰোধী পক্ষৰ সাংসদসকলে দাখিল কৰা অনস্থা প্ৰস্তাৱ সম্পৰ্কীয় জাননীত কিছুমান বিসংগতি চিনাক্ত কৰিছে।

২। কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে এইবাৰৰ বাজেটত অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক বিকাশৰ চালিকা শক্তিৰূপে গঢ়ি তোলাৰ বাবে অভিলেখ পৰিমাণৰ ধন আবণ্টন দিয়া হৈছে বুলি মন্তব্য কৰিছে।

৩। লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে ৰাষ্ট্ৰীয় সুৰক্ষাৰ বিষয়সমূহ ৰাজনৈতিক আহিলা হিচাপে ব্যৱহাৰ কৰা বুলি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে অভিযোগ কৰিছে।

৪। মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰ জিলাৰ থাংস্কৰ অবৈধ কয়লা খনিত সংঘটিত বিস্ফোৰণত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৩০ লৈ বৃদ্ধি পাইছে।

আৰু

৫। পুৰুষৰ টি-টুৱেণ্টি বিশ্ব কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত দক্ষিণ আফ্ৰিকাই আফগানিস্তানক জয়ৰ বাবে ১৮৮ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

oooooooooo

লোকসভা সচিবালয়ে অধ্যক্ষ ওম বিৰলাক পদৰ পৰা আঁতৰোৱাৰ দাবী জনাই বিৰোধী পক্ষৰ সাংসদসকলে দাখিল কৰা অনস্থা প্ৰস্তাৱ সম্পৰ্কীয় জাননীত কিছুমান বিসংগতি চিনাক্ত কৰিছে। লোকসভাৰ সূত্ৰই প্ৰকাশ কৰা মতে বিৰোধী দলসমূহে জাননীখনত যোৱা বছৰ ফেব্ৰুৱাৰীত হোৱা ৪ টা ঘটনা উল্লেখ কৰিছে আৰু ইয়াৰ ভিত্তিত নিয়ম অনুসৰি জাননীখন খাৰিজ কৰিব পৰা গ'ল হেতেন। অৱশ্যে অধ্যক্ষ ওম বিৰলাই সচিবালয়ক জাননীখনত থকা ত্ৰুটিসমূহ দূৰ কৰাৰ নিৰ্দেশ দিছে আৰু নিৰ্ধাৰিত প্ৰক্ৰিয়া অনুসৰি পৰৱৰ্তী ব্যৱস্থা গ্ৰহণ কৰিবলৈ কৈছে। তেওঁ লগতে নিয়ম অনুযায়ী এই সন্দৰ্ভত শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। সূত্ৰসমূহে প্ৰকাশ কৰা মতে বাজেট অধিৱেশনৰ দ্বিতীয় পৰ্যায় আৰম্ভ হোৱাৰ পাছত জাননীখন সংসদত কাৰ্যক্ৰমণিকাৰ সূচীত অন্তৰ্ভুক্ত কৰা হ'ব। সংসদীত জাননী লাভ কৰাৰ পাছত নিৰ্ধাৰিত নিয়ম অনুযায়ী জাননীখন চালি জাৰি চোৱা হ'ব বুলি সূত্ৰই জানিবলৈ দিছে।

বিৰোধী দলসমূহে কালি অধ্যক্ষ ওম বিৰলাৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱৰ জাননী দিছিল। লোকসভাৰ সচিব প্ৰধানৰ ওচৰত দাখিল কৰা জাননীখনত কংগ্ৰেছ, ডি এম কে, সমাজবাদী পাৰ্টী, আৰ জে ডি আৰু বাওঁ দলসমূহকে ধৰি বিৰোধী পক্ষৰ মুঠ ১১৮ জন সদস্যই স্বাক্ষৰ কৰিছে। অৱশ্যে তৃণমূল কংগ্ৰেছৰ সাংসদসকল জাননীখনত স্বাক্ষৰ কৰাৰ পৰা আঁতৰি আছে।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই নৈতিকতাৰ আধাৰত বিৰোধী পক্ষই অনা অনাস্থা প্ৰস্তাৱৰ জাননী নিষ্পত্তি নোহোৱালৈকে সদনৰ কাম-কাজত অংশ লোৱাৰ পৰা বিৰত থকাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০০০০০০

কেন্দ্ৰীয় গ্ৰামোন্নয়ন আৰু কৃষি তথা কৃষক কল্যাণ দপ্তৰৰ মন্ত্ৰী শিৱৰাজ সিং চৌহানে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেটখন ঐতিহাসিক আৰু ভৱিষ্যৎমুখী বুলি আখ্যা দিছে। তেওঁ আজি গুৱাহাটীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয় যে এইবাৰৰ বাজেটত অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক বিকাশৰ চালিকা শক্তিৰূপে গঢ়ি তোলাৰ বাবে অভিলেখ পৰিমাণৰ ধন আবণ্টন দিয়া হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে কেন্দ্ৰীয় বাজেট অনুসৰি অসমে কৰ হস্তান্তৰকৰণৰ অংশ হিচাপে ৪৯ হাজাৰ ৭২৫ কোটি টকা লাভ কৰিব আৰু বাজেটত আত্মসমৰ্পণ কৰা আলফা সদস্যসকলৰ পুনৰ সংস্থাপনৰ বাবে ৫০০ কোটি টকাসহ বিশেষ পেকেজৰ ব্যৱস্থা কৰা হৈছে। গুৱাহাটী আৰু ডিব্ৰুগড়ৰ উন্নয়নৰ বাবে বিশেষ পেকেজৰ অধীনত ৫ হাজাৰ কোটি টকা আবণ্টন দিয়া হৈছে বুলি শ্ৰীচৌহানে উল্লেখ কৰে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্যসমূহৰ উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দি অহা অগ্ৰাধিকাৰ অনুসৰি উচ্চ প্ৰযুক্তিগত প্ৰয়োগৰ বাবে অতিকে গুৰুত্বপূৰ্ণ বুলি বিবেচিত বিৰল খনিজ পদাৰ্থৰ বাবে অসমত এটা সুকীয়া কৰিড'ৰ বিকশাই তোলা হ'ব। তেওঁ কয় যে প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলক দেশৰ উন্নয়ন গাথাৰ চালিকা শক্তিৰূপে গণ্য কৰে আৰু এইবাৰৰ বাজেটত উত্তৰ-পূৰ্বাঞ্চলৰ ৰেল আন্তঃগাঁঠনিৰ উন্নয়নৰ বাবে ১১ হাজাৰ ৪৮৬ কোটি টকা আবণ্টন দিয়া হৈছে। দেশৰ গাওঁ, দুখীয়া খেতিয়ক, যুৱ প্ৰজন্ম আৰু মহিলাসকলৰ কথা বিবেচনা কৰি এইবাৰৰ বাজেট প্ৰস্তুত কৰা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত ৰূপায়ন কৰা বিভিন্ন আঁচনিৰ বাবে দেশত দৰিদ্ৰতাৰ হাৰ হ্ৰাস পাইছে। তেওঁ লগতে দুখীয়া জনসাধাৰণক আত্মনিৰ্ভৰশীল কৰি তোলাৰ দিশৰ পৰা বাজেটখনক অতি গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰে। এইবেলি গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ বাবে বাজেটত ধাৰ্য কৰা ধনৰ পৰিমাণ ২১ শতাংশ বৃদ্ধি কৰা হৈছে বুলি শ্ৰীচৌহানে জানিবলৈ দিয়ে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে গ্ৰামোন্নয়ন আৰু কৃষি বিভাগৰ বাবে বাজেটত যুটীয়াভাৱে ৪ লাখ ৩৫ হাজাৰ ৭৭৯ কোটি টকা ধাৰ্য কৰা হৈছে আৰু ইয়াৰ পৰা গ্ৰাম্যাঞ্চল তথা খেতিয়কসকলৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰতিফলিত হৈছে। তেওঁ লগতে গাওঁসমূহক বিকাশৰ চালিকা শক্তিৰূপে গঢ়ি তোলাৰ উদ্দেশ্যে ২ লাখ ৭৩ হাজাৰ ১০৮ কোটি টকা আচুতীয়াকৈ ৰখা হৈছে বুলি জানিবলৈ দিয়ে।

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে ২০২৬ ৰবি বৰ্ষৰ বাবে মূল্য সমৰ্থন আঁচনিৰ অধীনত ন্যূনতম সমৰ্থন মূল্যত ৬০ হাজাৰ ৫০০ মেট্ৰিক টন সৰিয়হ ক্ৰয়ৰ বাবে অসম চৰকাৰৰ প্ৰস্তাৱত অনুমোদন জনোৱা বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সংবাদমেলত সদৰি কৰে।

০০০০০০০০০

লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে ৰাষ্ট্ৰীয় সুৰক্ষাৰ বিষয়সমূহ সদনত ৰাজনৈতিক আহিলা হিচাপে ব্যৱহাৰ কৰা বুলি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে অভিযোগ কৰিছে। ৰাষ্ট্ৰীয় সুৰক্ষা দেশৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে শ্ৰীগান্ধীক ৰাজনৈতিক মুনাফাৰ বাবে এনেধৰণৰ বিষয় উত্থাপন কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়।

লোকসভাৰ অধ্যক্ষ পদৰ পৰা অপসাৰণ কৰাৰ বাবে দাবী জনাই বিৰোধী পক্ষই দাখিল কৰা জাননী সন্দৰ্ভত শ্ৰীৰিজিজুৱে কয় যে এনকুৱা বিষয় নিষপত্তি কৰাৰ বাবে নিৰ্ধাৰিত নিয়ম আৰু প্ৰক্ৰিয়া আছে। তেওঁ লগতে কয়, যে এই ক্ষেত্ৰত কংগ্ৰেছ সাংসদসকলে গ্ৰহণ কৰা ব্যৱস্থাই অধ্যক্ষৰ গৰিমা লাঘৱ কৰিছে। সংসদ ভৱনৰ চৌহদত সাংবাদিকৰ সৈতে হেৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে সদনৰ নিয়মাৱলী পালন

নকৰাটো বিপদজনক কথা। বিৰোধী পক্ষৰ নেতা শ্ৰীগান্ধীয়ে সদনত গৰিমা বৰ্তাই ৰখাটো শ্ৰীগান্ধীৰ দায়িত্ব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০০০

ঝাৰখণ্ডৰ পশ্চিম সিংভূম জিলাৰ চাৰণ্ডা বনাঞ্চলত মাওবাদীয়ে স্থাপন কৰা আই ই ডি বিস্ফোৰণত ২ জন লোক গুৰুতৰভাৱে আহত হৈছে। জৰাইকেলা থানাৰ অধীনত তিৰিলপচী গাঁৱৰ সমীপৰ বনাঞ্চলৰ পৰা খৰি আৰু অন্য বনজাত সামগ্ৰী সংগ্ৰহ কৰিবলৈ যোৱা অৱস্থাত আই ই ডিৰ বিস্ফোৰণ হৈ লোক ২ জন আহত হয়। আৰক্ষীয়ে অঞ্চলটোত তালাচী চলাই আছে। আৰক্ষী অধীক্ষক অমিত ৰেণুৱে এই ঘটনাৰ কথা নিশ্চিত কৰি আহতসকলক যাৱতীয় চিকিৎসা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে বুলি প্ৰকাশ কৰিছে।

০০০০০০০০০

মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰ জিলাৰ থাংস্কু এলেকাৰ অবৈধ কয়লা খনিত সংঘটিত ডিনামাইট বিস্ফোৰণৰ ঘটনাত মৃত্যু হোৱা শ্ৰমিকৰ সংখ্যা ৩০ লৈ বৃদ্ধি পাইছে। পূব জয়ন্তীয়া পাহাৰ জিলাৰ উপায়ুক্ত মনিষ কুমাৰে সংবাদমেলত জনোৱা অনুসৰি যোৱা ৫ ফেব্ৰুৱাৰীত সংঘটিত বিস্ফোৰণৰ ঘটনাৰ বাতৰি জিলা প্ৰশাসনে সেইদিনাই দুপৰীয়া লাভ কৰাৰ পাছত ততাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে। যোৱা ৯ ফেব্ৰুৱাৰীলৈ চলোৱা অভিযানত প্ৰথমে ২৮জন শ্ৰমিকৰ মৃত্যু হোৱা বুলি নিশ্চিত কৰা হৈছিল। যোৱা সোমবাৰে শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ থকা অৱস্থাত দুজন আহত শ্ৰমিকৰ মৃত্যু হোৱাৰ ফলত মৃতকৰ সংখ্যা ৩০ লৈ বৃদ্ধি পায়। চিকিৎসাধীন অৱস্থাত মৃত্যু হোৱা এই শ্ৰমিক দুজন কাছাৰ জিলাৰ কাটিগড়াৰ ৰামচন্দ্ৰ বৈষ্ণৱ আৰু নিমাৰুদ্দিন বুলি জানিব পৰা গৈছে। ইফালে ঘটনাস্থলীৰ পৰা মৃতদেহ উদ্ধাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাত সোমবাৰৰ সন্ধিয়াৰ পৰা অভিযান বন্ধ কৰা হৈছে বুলি প্ৰশাসনে জানিবলৈ দিয়ে। জিলা প্ৰশাসনে নিহত লোকসকলৰ নিকটআত্মীয়লৈ এককালীন সাহায্য প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উপায়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। ইপিনে মেঘালয়ত ব্যাপক হাৰত অবৈধ আৰু অসুৰক্ষিত কয়লা খনন চলি থকা বিষয়টো মেঘালয় উচ্চ ন্যায়ালয়ে গভীৰভাৱে উদ্বেগ প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে জিলা প্ৰশাসনে অবৈধ কয়লা খননৰ বিৰুদ্ধে ইতিমধ্যে কঠোৰ অভিযান আৰম্ভ কৰিছে।

০০০০০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি পণ্ডিত দীনদয়াল উপাধ্যায়ৰ মৃত্যু বাৰ্ষিকী উপলক্ষে তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। এটা বাৰ্তাত শ্ৰীবিৰলাই কয় যে, পণ্ডিত উপাধ্যায়ক সামগ্ৰিক মানৱতাবাদৰ জনক আৰু দেশজুৰি অন্ত্যোদয়াৰ ভাবনাৰ প্ৰতীক হিচাপে জনা যায়। লোকসভাৰ অধ্যক্ষগৰাকীয়ে কয়, যে পণ্ডিত উপাধ্যায়ৰ স্বদেশী, আত্মনিৰ্ভৰশীলতা আৰু সাংস্কৃতিক আত্মসজাগতাৰ ওপৰত আধাৰিত আদৰ্শই ৰাষ্ট্ৰৰ নীতি আৰু সামাজিক আলোচনাৰ পথপ্ৰদৰ্শন কৰে। শ্ৰীবিৰলাই কয়, যে পণ্ডিত দীনদয়াল উপাধ্যায়ৰ জীৱন আৰু বিচাৰ বিবেচনা অনুসৰি সমাজৰ অন্তিমজন ব্যক্তিলৈকে লাভান্বিত হ'লেহে দেশৰ বাস্তৱিক বিকাশ সম্ভৱপৰ হ'ব।

০০০০০০০০০

পুৰুষৰ টি-টুৱেণ্টি বিশ্ব কাপ ক্ৰিকেট প্ৰতিযোগিতাত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ ডিৰ এখন খেলত দক্ষিণ আফ্ৰিকাই আফগানিস্তানক জয়ৰ বাবে ১৮৮ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ টা উইকেটৰ বিনিময়ত

১৮৭ ৰান কৰে। প্ৰত্যুত্তৰত আফগানিস্তানে বাতৰি যুগুতোৱাৰ পৰলৈকে ৫ অভাৰত ২ টা উইকেট হেৰুৱাই ৫১ ৰান সংগ্ৰহ কৰি খেলি আছিল।

প্ৰতিযোগিতাত আজি বিয়লি ৩ বজাত কলোম্বৰ আৰ প্ৰেমদাছা ষ্টেডিয়ামত হ'বলগীয়া গ্ৰুপ বিৰ এখন খেলত অষ্ট্ৰেলিয়াৰ আয়াৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সন্ধিয়া ৭ বজাত মুম্বাই ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া গ্ৰুপ চিৰ এখন খেলত ইংলেণ্ড ৱেষ্ট ইণ্ডিজৰ সন্মুখীন হ'ব।

ooooooooo

সমাপ্ত